দিনাংক - ২১ এপ্ৰিল, ২০১৪

## অভিযানসূচী - ২১/৪/২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

### কেপ্তেইন চাহেবে জগদীশ টাইটেলৰ প্ৰতিৰক্ষা - দুৰ্বৃত্তৰ অধিবক্তা

১৯৮৪ চন বেয়া বৰ্ষ হিচাপে সদায় মনত থাকিব । শ্ৰীমতী ইন্দিৰা গান্ধীৰ হত্যাৰ পাছত নিৰ্দোষ শিখৰ হত্যাই ভাৰতৰ গণতন্ত্ৰৰ ওপৰত কলা ছাপ এৰিছিল । নিৰ্দোষী লোকৰ হত্যা হাজাৰত হোৱা তথ্য অতি জঘণ্য । তাতকৈ বেছি দুখলগা বিষয় যে দোষীক শাস্তি দিয়া নগ'ল ।

ৰাজ্যৰ মাজৰ সংঘাত স্পষ্টকৈ দেখা গৈছিল । পুলিচে কোনো দুস্কৃতিকাৰীক গুলীওৱাও নাছিল । তেওঁলোকক হত্যা আৰু লোট কৰাৰ সুবিধা দিয়া হৈছিল । বহুত বছৰ ধৰি এফ আই আৰো পঞ্জীকৃত হোৱা নাছিল । কাকো কৰায়ত্ত কৰা হোৱা নাছিল । এনে হিংসাক ৰাজনৈতিক যুক্তি হিচাপে সিদ্ধ কৰিব'লৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী আৰু কংগ্ৰেছ চৰকাৰৰ দ্বাৰা নিয়োগ কৰা ন্যায়ধীশ ৰংগনাথ মিশ্ৰাৰ কমিচনে সচাঁ তথ্য লুকুৱাৰ চেষ্টা কৰিছিল । তেওঁ অৱসৰ লোৱাৰ পাছত কংগ্ৰেছ দলে ৰাজ্যসভালৈ মনোনীত কৰে । পাছত গৈ এন ডি এ চৰকাৰে ন্যায়ধীশ নানাৱতী কমিচন অফ এন্কুৱেৰিৰ নিযুক্তি দিছিল, যিয়ে প্ৰকৃত তথ্য প্ৰস্তুত কৰিছিল । তেতিয়াৰ পৰাই এই হিংসাত জড়িত লোকক কৰায়ত্ত কৰিব'লৈ অনুসন্ধান বিভাগে চেষ্টা কৰি আহিছে ।

কেৱল অনুসন্ধানকাৰী বিভাগ আৰু ন্যায়িক ব্যৱস্থাই ইয়াৰ সঠিক তথ্য উলিয়াব পাৰিব । কেপ্তেইন অমৰিন্দ্ৰৰ সিঙে কিয় দুৰ্বৃত্তৰ অধিবক্তা হ'ব বিচাৰিছে আৰু জগদীশ টাইটেলক মুক্ত কৰাৰ সিদ্ধান্ত লৈছে ? হিংসাত জড়িত থকা লোকক তেওঁ নিৰ্দোষী প্ৰমাণিত কৰিব বিচাৰিছে নেকি ? কেপ্তেইন চাহেবৰ বাবে ব্যক্তিগত আৰু ৰাজনৈতিক সম্বন্ধ, হত্যা হোৱা লোকৰ স্বাৰ্থতকৈ অধিক গুৰুত্বপূৰ্ণ নেকি ?

### অন্যতম ভুল বিবৃত্তি

ভূপাল গেছ কাণ্ডত ড' জনচৰ পক্ষে থিয় হোৱাৰ বাবে কেপ্তেইন চাহেবে মোক অভিযুক্ত কৰিছিল । ড' জনচ কেতিয়াও ইউনিয়ন কাৰবাইড অথৱ ভূপাল গেছ কাণ্ডৰ সৈতে জড়িত নাছিল । এইয়া আমেৰিকাৰ আগশাৰীৰ বিত্তীয় প্ৰতিষ্ঠান । আকস্মিক ভাৱে ড' জনচ ৱালষ্ট্ৰীট জাৰ্নেলৰ স্বত্বাধীকাৰী । ভূপাল গেছ কাণ্ডত মৃতু হোৱা লোকৰ বিৰুদ্ধে থকা অধিবক্তাৰ নাম আছিল অভিষেক মনো সিঙভী, যিজন কেপ্তেইন অমৰিন্দ্ৰৰ সিঙৰ

ৰাজনৈতিক দলৰ মুখ্য মুখপাত্ৰ । মই নিজৰ পেচাৰ খাতিৰত বহুতো লোকক পৰামৰ্শ দিয়াৰ লগতে তেওঁলোকৰ বাবে আদাললত যুজিঁছো । কোনো কাণ্ডত জড়িত নথকা লোকে অথবা কোম্পানীয়ে মোৰ পৰামৰ্শৰ পৰা যদি সহায় পায় তেন্তে এইয়া মোৰ পেচাৰ কৰ্ত্তব্য যে তেওঁক সঠিক আইনী পৰামৰ্শ দিও । মই এইয়াই কৰিছিলো ।

**ভাৰতৰ ভালনেৰেবুল প্ৰতিৰক্ষা**

নিৰ্বাচনী প্ৰচাৰ আগুৱাই নিওঁতে মই বহুতো এক্স-চাৰ্ভিচমেন লগ পইছিলো যি দেশৰ বিভিন্ন প্ৰান্তত থাকে। সংকটৰ সময়ত তেওঁলোকে সেৱা আগবঢ়াইছে তেওঁলোক দেশপ্ৰেমী আৰু ভাল মনোভাৱ থকা নাগৰিক । তেওঁলোকে বহু বছৰ ধৰি দাবী কৰি অহা ৱান ৰেংক - ৱান পেন্সন বিষয়ক লৈ যথেষ্ট চিন্তাত আছে ।

বিজেপি য়ে ৱান ৰেংক - ৱান পেন্সন বিষয় ঘোষণা পত্ৰত উল্লেখ কৰিছিল । ইয়াৰ কাৰ্য্যকাৰিৰ বাবে আমিও প্ৰতিশ্ৰুতিৰদ্ধ । এই বিষয়ৰ ওপৰত কংগ্ৰেছ দলে সদায় এক্স-চাৰ্ভিচমেনক ভ্ৰমিত কৰি অহিছে । কিছু বছৰৰ আগতে বিত্তীয় মন্ত্ৰীয়ে ঘোষণা কৰিছি যে এনে দাবীক তেওঁলোকে গ্ৰহণ কৰিছে । তৰ পাছত আমি গম পালো যে এই আচঁনি কেৱল কিছুমান এক্স-চাৰ্ভিচমেনৰ বাবেহে, সকলোৰে বাবে নহয় । এই বছৰতি বিত্তীয় মন্ত্ৰীয়ে বাজেটৰ ভাষণ দিওঁতে ঘোষণা কৰিছিল যে এই দাবী গ্ৰহণ কৰা হৈছে । আকৌ এবাৰ এক্স-চাৰ্ভিচমেনক ভ্ৰমিত কৰা হৈছে । এই দাবীক কাৰ্য্যকৰী কৰোৱাব'লৈ এতিয়ালৈকে কোনো জাননী প্ৰকাশ পোৱা নাই ।

ভাৰতৰ সুৰক্ষা প্ৰস্ততিৰ নাটনিয়ে সমানে চিন্তাৰ সৃষ্টি কৰিছে । আমাৰ ৰক্ষা চৌদা বেয়াকৈ প্ৰভাৱিত হৈছে, ইয়াৰ বাবে মুখ্যত আমাৰ ৰক্ষা মন্ত্ৰী শ্ৰীযুত এ কে এণ্টনী দায়ী । আজি ভাৰতৰ ভৌগোলিক স্থিতি সলনি হৈছে । পাকিস্থান আৰু চাইনএ সেনা বাহিনীৰ উপস্থিতি দেখা গৈছে । সীমাৰ ওচৰত পাকিস্থান আৰু চাইনাৰ এনে কাৰ্য্যই ভাৰতক চিন্তিত কৰিছে । তথাপিও আমাৰ সেনাৰ অস্ত্ৰৰ আধুনিকিকৰণ হোৱা নাই । পূৰ্বৰ টেকন'ল'জিসমূহ উন্নতমূলক টেকনল'জিৰে সলনি কৰিব লাগে । ভাৰত আৰু পাকিস্থানৰ সেনা বাহিনীৰ মাজত পৃথকতা কম হোৱা দেখা গৈছে । ১৫০০০ কিলোমিটাৰ আন্ত:ৰাষ্ট্ৰীয় সীমা থকা কোনো ৰাষ্ট্ৰই এনে পুৰণি টেকনল'জিৰ ওপৰত নিৰ্ভৰ থাকিব নোৱাৰে । বিগত কিছু দিনৰ পৰা জলসেনাৰ জাহাজ দুৰ্ঘটনাগ্ৰস্থ হৈছে । এই বিষয়টোৱে সকলোকে চিন্তিত কৰিছে । যি সময়ত চাইনাই সীমাৰ অন্তগাঠঁনি মজবুত কৰা দেখা গৈছে, ইয়াৰ বিপৰীতে আমি এই বিষয়ক উপেক্ষা কৰা দেখা গৈছে ।

দেশৰ আগশাৰীৰ দল হিচাপে বিজেপি য়ে ৰক্ষা প্ৰস্ততিকৰণ কৰাৰ বাবে প্ৰতিশ্ৰুতিৰদ্ধ ।